অসম বিধান সভা সচিবালয়
দিশপুৰ, গুৱাহাটী - ৬

# শিক্ষা বিষয়ৰ আলোচনা

অসম বিধান সভাৰ আগন্তুক বাজেট অধিবেশনত ৰাজ্যখনৰ শিক্ষা বিভাগৰ লগত জড়িত সকলো সমস্যা পুংখানুপুংখভাৱে আলোচনা কৰি তাৰ সমাধানৰ পথ নিৰ্ণয়ত সহায়ক হোৱাৰ বাবে 'অধ্যক্ষৰ উদ্যোগ' (Speaker's Initiative) শিতানত এক কাৰ্যসূচী ধাৰ্য্য কৰা হৈছে। সম্পূৰ্ণ দুদিন ধৰি বিধান সভাৰ মজিয়াত হ'ব লগা এই আলোচনাত শিক্ষাখণ্ডৰ লগত জড়িত সমস্যা সমূহ -- বিধায়ক সকলে সবলভাৱে উপস্থাপন কৰাৰ প্ৰতি লক্ষ্য ৰাখি বিধান সভাৰ মাননীয় অধ্যক্ষই অসমৰ শিক্ষাখণ্ডৰ প্ৰতিটো বিভাগৰ লগত জড়িত সংশ্লিষ্ট অনুষ্ঠানৰ মুৰব্বী, বিভিন্ন শিক্ষক-কৰ্মচাৰী-ছাত্ৰ সন্থা, অন্যান্য বিশিষ্ট ব্যক্তি আদিৰ লগত অসম বিধান সভাৰ সদস্যসকলৰ লগত এক বিস্তৃত আলোচনা তলত দিয়া কাৰ্য্যসূচী অনুসৰি বিধান সভা চৌহদত অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিছে। এই আলোচনাৰ মাধ্যমত লাভ কৰা মূল্যৱান পৰামৰ্শৰলী / তথ্য সমূহে, অসম বিধান সভাৰ সন্মানীয় সদস্যসকলক শিক্ষা বিষয়ক এই গুৰুত্বপূৰ্ণ দুদিনীয়া আলোচনা সফল কৰি ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত শিক্ষা বিভাগৰ লগত জড়িত সমস্যাসমূহ সমাধান কৰাত সহায় কৰিব বুলি ভবা হৈছে।

## আলোচনাৰ সূচী

| | | | |
|---|---|---|---|
| ১) | প্ৰাথমিক শিক্ষা | - | ৫ মাৰ্চ, ২০১৮ |
| ২) | মাধ্যমিক শিক্ষা | - | ৬ মাৰ্চ, ২০১৮ |
| ৩) | উচ্চ শিক্ষা | - | ৭ মাৰ্চ, ২০১৮ |
| ৪) | ব্যক্তিগত শিক্ষানুষ্ঠান/ বিশ্ববিদ্যালয় আৰু অন্যান্য | - | ৮ মাৰ্চ, ২০১৮ |

এই আলোচনাত অংশ গ্ৰহণ কৰাৰ বাবে ইচ্ছুক সকলক আলোচনাত উত্থাপন কৰিব বিচৰা বিষয়ৰ এক চমুটোকা সহ অহা ২৮ ফেব্ৰুৱাৰী , ২০১৮ তাৰিখৰ ভিতৰত তলৰ ঠিকনাত ডাকযোগে জনাবলৈ বা ব্যক্তিগত ভাৱে যোগাযোগ কৰিবলৈ আহ্বান জনালো।


১) সন্মানীয় অধ্যক্ষৰ স্থাপনা শাখাঃ০৩৬১-২২৬১৩৭১
২) প্ৰধান সচিবৰ স্থাপনা শাখা ঃ০৩৬১-২২৬১১১৩

মৃগেন্দ্ৰ কুমাৰ ডেকা
প্ৰধান সচিব
অসম বিধান সভা